## বিদ্যালয় বিকাশৰ আঁচনি :

বিদ্যালয়ৰ প্ৰয়োজন অনুসাৰে বিদ্যালয় পৰিচালনা সমিতিয়ে বিকাশৰ আঁচনি প্ৰস্তুত কৰিব। এই ক্ষেত্ৰত বিদ্যালয়ৰ স্থিতিৰ প্ৰতি নজৰ ৰাখিব লাগিব। ইয়াৰ আধাৰতে বিনামূলীয়া শিকন শিক্ষণ সামগ্ৰীৰ বাবে চৰকাৰৰ পৰা অনুদান পোৱা যাব। শিক্ষকসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। সমিতিয়ে সময়ে সময়ে বিদ্যালয়ৰ বিকাশৰ সম্বন্ধে চৰকাৰক আবেদন কৰিব। প্ৰাপ্ত অনুদান আৰু তাৰ খৰচৰ স্থিতি চৰকাৰক জনাব।

- কোনো বিদ্যালয়ে শিশুৰ নামভৰ্তিৰ বাবে মাচুল অথবা খৰচ ললে সেইয়া দণ্ডনীয় অপৰাধ হ'ব। নামভৰ্তিৰ সময়ত শিশু অথবা অভিভাৱকৰ পৰীক্ষা লোৱা নহ'ব। এনে কৰিলে ২৫,০০০ টকা পৰ্য্যন্ত জৰিমনা হ'ব পাৰে।
- কোনো শিশুৰ বয়সৰ প্ৰমাণ পত্ৰ নাথাকিলেও নামভৰ্তিকৰণত অস্বীকাৰ কৰিব নোৱাৰিব।
- শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ পাছতো যদি কোনো শিশুৱে নামভৰ্তি কৰিব খোজে তেন্তে বিদ্যালয়ত তেওঁক বঞ্চিত কৰিব নোৱাৰিব।
- শিশুক কোনো শ্ৰেণীতে ৰখোৱা নহয়(অনুত্তীৰ্ণ কৰা নহ'ব)। প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নোহোৱালৈকে বিদ্যালয়ৰপৰা বাহিৰ কৰা নহয়।
- কোনো শিশুক মানসিক বা শাৰীৰিকভাৱে উৎপীড়ন কৰা নহ'ব।

## প্ৰাক- প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা :

- তিনিৰপৰা ছয় বছৰ বয়সৰ শিশুক প্ৰাথমিক শিক্ষাৰ বাবে সাজু কৰিবলৈ প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰাটো স্থানীয় চৰকাৰৰ দায়িত্ব হ'ব।

## পাঠ্যপুথি আৰু মূল্যাংকন :

- শিশুৰ পাঠ্যক্ৰমত যাতে শিশুৰ শাৰীৰিক আৰু মানসিক যোগ্যতাসমূহৰ বিকাশ হয় তাৰ প্ৰতি গুৰুত্ব দিয়া হ'ব।
- শিশুৱে নিজৰ মাতৃভাষাত লিখা-পঢ়া কৰিব।
- শিশুৰ চিন্তা কৰা, বুজি উঠা শক্তিৰ বিকাশ হ'ব।
- শিশুৱে শিকাখিনিৰ মূল্যাংকন লগে লগে হ'ব।
- ৮ম শ্ৰেণীলৈকে শিশুৰ কোনো ব'ৰ্ডৰ পৰীক্ষা নহ'ব।
- প্ৰত্যেক শিশুকে প্ৰাথমিক শিক্ষা (১ম ৰ পৰা ৮ ম মানলৈ) সমাপ্ত হোৱাৰ পাছত এখন প্ৰমাণ পত্ৰ দিয়া হ'ব।

## আপত্তি কাক/ক'ত দাখিল কৰিব পাৰি ?

*'ৰাজ্যিক শিশু অধিকাৰ সংৰক্ষণ আয়োগ' হ'ল শিক্ষাৰ অধিকাৰ সম্পৰ্কীয় আপত্তি নিষ্পত্তিকাৰী সৰ্বোচ্চ আয়োগ। যিকোনো ব্যক্তিয়ে কোনো শিশু অধিকাৰ সম্বন্ধীয় আপত্তি স্থানীয় কৰ্তৃপক্ষৰ ওচৰত উত্থাপন কৰিব পাৰিব। স্থানীয় কৰ্তৃপক্ষই তাৎক্ষণিকভাৱে আপত্তিৰ শুনানী গ্ৰহণ কৰিব। যদি আপত্তি উত্থাপনকাৰী ব্যক্তিগৰাকী স্থানীয় কৰ্তৃপক্ষৰ ৰায়ত সন্তুষ্ট নহয় তেন্তে তেওঁ 'ৰাজ্যিক শিশু অধিকাৰ সংৰক্ষণ আয়োগ' ত আপীল কৰিব পাৰিব।*

ভাৰত চৰকাৰ
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
(বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগ)
বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়, নতুন দিল্লী-১১০০০১ ৰ সহযোগত
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত
website :: www.mhrd.gov.in,www.Mygov.in
website :: www.srcguwahati.in

আইনী সাক্ষৰতা শৃংখলা - ৩

# বিনামূলীয়া আৰু বাধ্যতামূলক শিশু শিক্ষাৰ অধিনিয়ম ২০০৯



# বিনামূলীয়া আৰু বাধ্যতামূলক শিশু শিক্ষাৰ অধিনিয়ম ২০০৯

ভাৰত চৰকাৰে ২০০৯ বৰ্ষত বিনামূলীয়া আৰু বাধ্যতামূলক শিশু শিক্ষাৰ অধিনিয়ম ২০০৯ গ্ৰহণ কৰে। এই আইনে শিশুক নিজৰ প্ৰাৰম্ভিক শিক্ষা সম্পূৰ্ণ কৰাৰ অধিকাৰ দিছে। এই আইন ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুৰ বাবে সমভাৱে কাৰ্য্যকৰী হ'ব।

## প্ৰাৰম্ভিক শিক্ষাৰ অৰ্থ হ'ব:

প্ৰাথমিকৰপৰা অষ্টম শ্ৰেণীলৈ শিক্ষাগ্ৰহণ কৰা ছয়ৰপৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুৱে বাধ্যতামূলকভাৱে বিদ্যালয়ত প্ৰৱেশ কৰাৰ অধিকাৰ পাব। নতুন নিয়ম অনুযায়ী সকলো বিদ্যালয়ৰ প্ৰতি শ্ৰেণীতে কিছু শতাংশ আসন সংৰক্ষিত থাকে। এই আসনসমূহত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু পিছপৰা সম্প্ৰদায়ৰ অথবা আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ শিশুৰ নামভৰ্তি কৰিব পাৰিব।

এই শিক্ষা সম্পূৰ্ণ বিনামূলীয়া হ'ব। প্ৰথম মানৰপৰা অষ্টম মানলৈ শিক্ষা সম্পূৰ্ণ নোহোৱালৈকে কোনো ধৰণৰ মাচুল দিবলগীয়া নহয়। বহী, কিতাপ আৰু বিদ্যালয়ৰ পোছাক বিনামূলীয়াকৈ পাবলৈ সক্ষম হ'ব।

## এই আইনৰ সুবিধা কোনসকল শিশুৱে পাব?

- আইন ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুৰ বাবে সমভাৱে কাৰ্য্যকৰী হয়। বিশেষভাৱে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু সামাজিক অথবা শৈক্ষিকভাৱে পিছপৰা শিশু অথবা বিশেষভাৱে সক্ষম শিশুসকল এই আইনৰ দ্বাৰা লাভৱান হ'ব।
- ছয় বছৰৰ ওপৰৰ বিদ্যালয়লৈ নোযোৱা অথবা শিক্ষা সম্পূৰ্ণ নকৰাকৈ বিদ্যালয় এৰা শিশুসকলক শিশুগৰাকীৰ বয়স অনুযায়ী উপযুক্ত শ্ৰেণীত নামভৰ্তি কৰোৱা হ'ব। তাত তেওঁক পাৰ হৈ অহা শ্ৰেণীসমূহৰ শিক্ষা প্ৰদান কৰি উপযুক্ত কৰি তোলা হ'ব।
- যদি কোনো শিশু ছয় বছৰৰ ওপৰ বয়সত নাম ভৰ্তি কৰে তেওঁৰ চৈধ্য বছৰ পাৰ হ'লেও প্ৰাৰম্ভিক শিক্ষা সম্পূৰ্ণ কৰাৰ অধিকাৰ থাকিব।

## স্থান পৰিবৰ্তন হ'লে আন বিদ্যালয়ত নামভৰ্তিৰ সুবিধা:

যদি কোনো কাৰণবশত শিশু এটিয়ে এঠাইৰপৰা অন্য ঠাইলৈ যাবলগা হয়, তেন্তে তেওঁৰ সেই ঠাইত নিকটৱৰ্তী চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰাৰ অধিকাৰ থাকিব। নামভৰ্তিৰ বাবে প্ৰয়োজনীয় প্ৰমাণ পত্ৰ নাথাকিলেও নামভৰ্তি কৰিব পাৰিব।

## বিদ্যালয়ৰ ব্যৱস্থা :

- শিক্ষাৰ অধিকাৰ আইন মতে প্ৰয়োজন সাপেক্ষে বিদ্যালয় স্থাপন কৰাটো চৰকাৰৰ দায়িত্ব।
- প্ৰথমৰ পৰা পঞ্চম শ্ৰেণীৰ শিশুৰ বাবে এক কিলোমিটাৰ আঁতৰে আঁতৰে বিদ্যালয় স্থাপন কৰিব লাগিব।
- ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীৰ শিশুৰ বাবে প্ৰতি তিনি কিলোমিটাৰৰ আঁতৰে আঁতৰে বিদ্যালয় স্থাপন কৰিব লাগিব।
- বিদ্যালয়ত দুখীয়া বা উপেক্ষিত সকলৰ বাবে ভেদভাৱ বা দুৰ্ব্যৱহাৰ হ'ব নালাগিব।

## চৰকাৰৰ কৰ্তব্য:

- ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া শিক্ষা প্ৰদান কৰা।
- বিদ্যালয় স্থাপন কৰা। প্ৰয়োজন সাপেক্ষে বিশেষভাৱে সক্ষম শিশুৰ বাবে বাহনৰ ব্যৱস্থা কৰা।
- দুৰ্বল শ্ৰেণীৰ ছাত্ৰসকলক বিশেষ মনোযোগ দিয়া, শ্ৰেণী কোঠা, খোৱা পানী, মধ্যাহ্ন ভোজন, খেলা ধূলা কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

## পিতৃ-মাতৃ আৰু অভিভাৱকৰ দায়িত্ব :

নিজৰ সন্তানক ওচৰৰ বিদ্যালয়ত নামভৰ্তি কৰোৱাটো প্ৰত্যেক পিতৃ-মাতৃ আৰু পালন কৰোঁতাৰ দায়িত্ব।

## বিদ্যালয় পৰিচালনা সমিতি :

বিদ্যালয় পৰিচালনাৰ বাবে গঠিত সমিতিখনক 'বিদ্যালয় পৰিচালনা সমিতি' বুলি কোৱা হয়। এই সমিতিত কমেও তিনি চতুৰ্থাংশ সদস্য পিতৃ-মাতৃ আৰু সেই অঞ্চলৰ বাইজ হ'ব। এই সমিতিৰ পঞ্চাছ শতাংশ মহিলা হ'ব। সমিতিৰ সভাপতি ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ আৰু অঞ্চলৰ ৰাইজৰ পৰা হ'ব লাগিব।

## বিদ্যালয় পৰিচালনা সমিতিৰ দায়িত্ব :

- বিদ্যালয় কাৰ্য্য ব্যৱস্থাৰ সমাকৰণ তথা চোৱা চিতা কৰা।
- বিদ্যালয়ৰ বিকাশৰ আঁচনি প্ৰস্তুত কৰা।
- বিদ্যালয়ে লাভ কৰা ধনৰাশিৰ সঠিক ব্যৱহাৰ কৰা।
- বিদ্যালয়ৰ কাম-কাজত সহযোগ কৰা।